# অসম চৰকাৰৰ হেমাহিত এন আ

আগিয়াৰ প্ৰতিবেদক, ২৮ জুলাই ঃ 'মহামান্য উচ্চতম ন্যায়ালয়ৰ আদেশ অমান্য কৰি অসমৰ কংগ্ৰেছ চৰকাৰখনে এন আৰ চি উন্নতকৰণত বিধি-পথালি দি বিভ্ৰান্তিৰ সৃষ্টি কৰিব খুজিছে। আনপিনে, এন আৰ চি সেৱা কেন্দ্ৰসমূহত অসম চৰকাৰে ...ভাৱে পৰ্যাপ্ত কৰ্মচাৰী নিয়োগ নকৰাত ...-পত্ৰ জমা দিয়াত যথেষ্ট অসুবিধাৰ ...হৈ আহিছে। ইয়াৰ অন্তৰালত আগন্তুক

## মহেশ্বৰ নাথ সোঁৱৰণী গ্ৰন্থাগাৰৰ বঁটা বি

বিধানসভা নিৰ্বাচনৰ বৈতৰণি পাৰ হোৱাৰ কু-অভিপ্ৰায় লুকাই আছে তৰুণ গগৈ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰখনৰ।' —এই মন্তব্য সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথৰ। শুকুৰবাৰে আগিয়া যোগেন্দ্ৰ নাথ মেম'ৰিয়েল

উচ্চতৰ মাধ্যমিক বিদ্যাল... মহেশ্বৰ নাথ সোঁৱৰণী গ্ৰন্থ... শ্ৰেষ্ঠ গ্ৰন্থ পঢ়ুৱৈৰ বঁটা বিতৰণী ... ভাষণত এনেদৰে কয় আছুৰ ... মহেশ্বৰ নাথ সোঁৱৰণী গ্ৰন্থাগাৰৰ ... কৰি সেই আদৰ্শকে সাৱোগত ... ভিন্ন প্ৰান্তত গ্ৰাম্য শিশু গ্ৰন্থাগাৰ ... গ্ৰহণ কৰা বুলি আছুৰ সভাপতি... কৰে। অসমৰ ভূমিপুত্ৰসকলৰ ... এন আৰ চিত অন্তৰ্ভুক্তি কৰি... উচ্চতম ন্যায়ালয়ে এক ৰায়দান ... সভাপতিগৰাকীয়ে প্ৰকাশ কৰে। ... সুসন্তান মনজিৎ নাথে আঁত ধৰ... ব্যাখ্যা কৰে মহেশ্বৰ নাথৰ ... গ্ৰন্থাগাৰিক হিৰণপ্ৰভা দেৱীয়ে ...

# পথাৰত ধান ৰোপণ এৰি এন আৰ চিৰ কামত ব্যস্ত কৃষক

**বঙাইগাঁৱৰ বিশেষ প্ৰতিনিধি, ২৮ জুলাই** ঃ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ১৯৫১ চনক 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ভিত্তি বৰ্ষ' হিচাপে লৈ ৰাজ্যখনত এন আৰ চি প্ৰস্তুতকৰণৰ কাম অব্যাহত আছে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে প্ৰ-পত্ৰ জমা দিয়াৰ দিন ক্ৰমাৎ চমু চাপি অহাৰ লগে লগে জনসাধাৰণৰ মাজত তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সমগ্ৰ অসমৰ লগতে পশ্চিম অসমৰ বঙাইগাঁও, চিৰাং, কোকৰাঝাৰ, ধুবুৰী, গোৱালপাৰা, বৰপেটা আদি জিলাত স্থাপিত এন আৰ চি সেৱা কেন্দ্ৰসমূহৰ লগতে গাঁও পঞ্চায়ত কাৰ্যালয়সমূহত লিংক চাৰ্টিফিকেট সংগ্ৰহ আৰু প্ৰ-পত্ৰ জমা দিয়াৰ বাবে যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে। দেশৰ আন ৰাজ্যত কৰ্মৰত লোকসকলেও নিজ গাঁৱত সমৱেত হৈ ন্যায়ালয়ৰ নিৰ্দেশক সন্মান জনাই পূৰ্বপুৰুষৰ তথ্যপাতি সংগ্ৰহত ব্যস্ত হৈ পৰাও পৰিলক্ষিত হৈছে। আশ্চৰ্যৰ বিষয় যে এফালে বাৰিষাৰ বতৰ, আনফালে শালিধান ৰোপণৰ ভৰপক সময়ত কৃষকসকলে খেতিপথাৰত কঠীয়া ৰোপণ এৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। সংশ্লিষ্ট জিলাকেইখনত থকা এন আৰ চি সেৱা কেন্দ্ৰসমূহত প্ৰ-পত্ৰ জমা লোৱা কৰ্মচাৰীৰ সংখ্যা পৰ্যাপ্ত নথকাত ৰাইজ চৰমভাৱে হাৰাশাস্তিৰ খন্মুখীন হ'বলগীয়া হৈছে। কাহিলি পুৱাতে এন আৰ চি সেৱা কেন্দ্ৰৰ সন্মুখত থিয় দি অধিকাংশ লোকে প্ৰ-পত্ৰ জমা দিব নোৱাৰি হতাশ হৈ পৰাও দেখা গৈছে। লক্ষণীয় যে বিদ্যুৎ যোগানৰ অনিয়মীয়া সেৱাৰ দোহাই দিয়াৰ সমান্তৰালভাৱে কম্পিউটাৰ হেং মৰাৰ অজুহাতত এন আৰ চি সেৱা কেন্দ্ৰসমূহত নিয়োজিত কম্পিউটাৰ অপাৰেটৰে এদিনত জমা দিয়ে মাত্ৰ ৪০-৫০খন এন আৰ চি প্ৰ-পত্ৰ। ইপিনে, লঘোনে-ভোকে থাকি মাজনিশাৰ পৰা এন আৰ চি সেৱা কেন্দ্ৰসমূহৰ সন্মুখত শাৰী পাতিবলগা ঘটনা ঘটিছে। উল্লেখ্য, দিনৰ পিছত দিন এনে কাৰ্যত ব্যস্ত থাকি সময় নষ্ট কৰি অহা লোকসকল হতাশাত ভোগা পৰিলক্ষিত হৈছে। অৱশ্যে এন আৰ চি সেৱা কেন্দ্ৰত নিয়োজিত বিষয়া-কৰ্মচাৰী-কম্পিউটাৰ অপাৰেটৰ আদিয়ে জনসাধাৰণৰ অৱস্থা প্ৰতি লক্ষ্য কৰি প্ৰ-পত্ৰ গ্ৰহণৰ কাৰ্য তুৰন্তে কৰাৰ প্ৰয়াস কৰি আহিলেও সেৱা কেন্দ্ৰসমূহত অতিৰিক্ত বিষয়া-কৰ্মচাৰী নিয়োগ নকৰিলে সময়ৰ মূৰকত এন আৰ চিৰ প্ৰ-পত্ৰ জমা ল'বলৈ সক্ষম নহ'ব বুলি ভুক্তভোগীয়ে দাবী উত্থাপন কৰিছে।